# প্ৰবন্ধ গুচ্ছ

অণিমা নেওগ

প্ৰকাশক
যোৰহাট জিলা সাহিত্য সভা

# প্ৰবন্ধ-গুচ্ছ

(মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ
ছাত্ৰ-ছাত্ৰীৰ উপযোগী)

(প্ৰবন্ধ সংকলন)

অণিমা নেওগ

প্ৰকাশক
যোৰহাট জিলা সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

**প্ৰবন্ধ গুচ্ছ**
(প্ৰবন্ধ সংকলন)
**লেখক** ঃ অণিমা নেওগ
**প্ৰকাশ কাল** ঃ এপ্ৰিল, ২০১১
**প্ৰকাশক** ঃ যোৰহাট জিলা সাহিত্য সভা
**গ্ৰন্থস্বত্ব** ঃ লেখিকাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত
বেটুপাত ঃ ৰেৱ বৰা, যোৰহাট
মূল্য ঃ ৫০.০০ টকা
ছপা ঃ ডিজিটেল ইম্প্ৰেশ্যন
যোৰহাট, অসম



# উচর্গা

যাৰ কষ্টৰ বাবে, যাৰ প্ৰেৰণাৰ বাবে, যাৰ উৎসাহ-উদ্দীপনাৰ বাবে মই আজি উপনীত এই স্থানত; যিজন আজিও মোৰ হৃদয়ত প্ৰেৰণাৰ উৎস হৈ জীয়াই আছে, সেইজন ব্যক্তি মোৰ শ্ৰদ্ধাৰ, মোৰ মৰমৰ দেউতা (দেউ) স্বৰ্গীয় গুণাৰাম নেওগ (সমাজকৰ্মী, মুক্তিযুঁজাৰু)ৰ স্মৃতিত মোৰ ক্ষুদ্ৰ পুথিখন উৰ্চগা কৰিলো।

— *অণিমা*

# পাতনি

পঢ়ি থকা অৱস্থাৰ পৰা ইটো-সিটো লিখিছিলো। সংৰক্ষণৰ অভাৱত সেয়া লুপ্ত পালে। বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ মৰম-স্নেহ আৰু উৎসাহ-উদ্দীপনাত পুনৰ কিবা-কিবি লিখিবলৈ আৰম্ভ কৰোঁ। এইক্ষেত্ৰত মোৰ স্বৰ্গগত দেউতাৰ প্ৰেৰণা আৰু ভূমিকা নুই কৰিব নোৱাৰোঁ। জীয়াই থকা দিনকেইটাত মোক প্ৰতি মুহূৰ্তে উদ্‌গনি যোগোৱা দেউতাৰ স্মৃতিক সাৰোগত কৰি মাজে-সময়ে, সময়-সুবিধা উলিয়াই লিখোঁ। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হোৱাকৈ প্ৰবন্ধকেইটা যুগুত কৰি উলিওৱা হৈছে। ভুল-ভ্ৰান্তি থাকিব পাৰে; সুধীজনে আঙুলিয়াই দিলে কৃতাৰ্থ হ'ম।

'যোৰহাট জিলা সাহিত্য সভা'ই প্ৰকাশৰ দায়িত্ব লোৱাত বহুদিনৰ পৰাই থুপাই থোৱা প্ৰবন্ধকেইটা ৰাইজৰ আগত উলিয়াই দিবলৈ সক্ষম হওঁ। এইক্ষেত্ৰত বিশেষ প্ৰেৰণা যোগোৱা শ্ৰদ্ধাৰ শ্ৰীযুত নগেন বৰা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনৰ সকলো দিশতে সহায়-সহযোগ আগবঢ়োৱা শ্ৰীযুত ৰেব বৰাদেৱলৈ ধন্যবাদ থাকিল। যোৰহাট জিলা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া আৰু কৰ্মকৰ্তাক ধন্যবাদ জনালো। সুধীসমাজে গ্ৰন্থখন আদৰি ল'লে আৰু স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব।

'দোক-মোকালি'
সুৰাগপুৰ, তৰুণৰাম ফুকন পথ
চোলাধৰা, যোৰহাট
ম'বাইল নং ঃ ৯৪৩৫৩-৫০৮৬২

অনিমা নেওগ

# অণিমা নেওগ সম্পৰ্কে মই জনাখিনি

যোৰহাটৰ খনামুখ চাৰিঙীয়া গাঁৱৰ বোকা-পানীৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰি জীয়ৰীৰ পৰা বোৱাৰী হৈ স্বামী ৰুবুল বৰাৰ লগ লাগি নগৰবাসী হ'লেও আন একাংশৰ দৰে অণিমা নেওগ বৰাই পাহৰি যোৱা নাই এৰি অহা দিনবোৰৰ সেমেকা পৰশ। অধ্যাপনাৰ দৰে গুৰু দায়িত্ব বহণ কৰি থকাৰ লগতে সাংসাৰিক জীৱনৰ ৰাজহী-ততহী মাৰি সাহিত্য চৰ্চাৰ প্ৰতি মন উধাও হোৱাটো কম কথা নহয়। সুন্দৰসেৱী মনৰ অধিকাৰী নহ'লে এয়া সম্ভৱ হ'ব নোৱাৰে। ১৯৯৪ খ্ৰীষ্টাব্দত এওঁ সাহিত্য-প্ৰেমীক 'সাহিত্যৰ আভাস' দেখুৱাই পাঁচ বছৰৰ পাছত পুনৰ কাব্য-প্ৰেমীক কবিতাৰ 'ৰেঙনি' বিলাই বহুদিন টলকা মাৰি আছিল। একৈশ শতিকাত আকৌ 'ইতিহাসৰ সীৰলু বগাই' ওলাই আহি সাহিত্যানুৰীগাৰ হাতত তুলি দিছে 'প্ৰবন্ধ-গুচ্ছ'। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ যুগুত কৰা 'প্ৰবন্ধ গুচ্ছ'ৰ বাবে এই চেগতে লেখিকাগৰাকীক অভিনন্দন জনাইছোঁ।

প্ৰচাৰবিমুখ, গৰ্বশূন্য আৰু একো নজনাৰ ভাও ধৰি থকা কবি, প্ৰাবন্ধিক, গল্পকাৰ অণিমা নেওগলৈ অসমীয়া সাহিত্যৰ ভঁৰালটিয়েও আগ্ৰহেৰে চাই থাকিব। লেখিকাৰ এই যাত্ৰা জয়ৰ যাত্ৰা হওক, হাতৰ কলমটো সজ কামত লাগক- এই আশা কৰিছোঁ অন্তৰৰো অন্তৰে।

**নগেন বৰা**
সভাপতি
যোৰহাট জিলা সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

# সূচীপত্র


মৃণাল মাহী - এটি আলোচনা/৭

টিকেন্দ্ৰজিৎ - এটি সমীক্ষাত্মক আলোচনা /১৩

চক্ৰধ্বজ সিংহ - এটি পৰ্যালোচনা/১৭

নিৰ্মল ভকত - এটি বিশ্লেষণ/২২

চিৰাজ - এটি আলোচনা/২৭

সাহিত্য - এটি চমু অধ্যয়ন/৩১

সাহিত্য জগতত অসমীয়া নাৰী/৩৫

ৰবীন্দ্ৰনাথ আৰু অসমীয়া কাব্য সাহিত্য/৪৬

কীৰ্তনৰ গজেন্দ্ৰ উপাখ্যান - এটি চমু বিশ্লেষণ/৫১

বিপ্ৰদামোদৰ - দৰিদ্ৰ জীৱনৰ ভক্তিৰ সঁচাৰকাঠি/৫৪

অতুল চন্দ্ৰ হাজৰিকাৰ 'নৰকাসুৰ' এটি পৰ্যালোচনা/৫৮